জ্ঞানপীঠ বঁটা বিজয়ী মালয়ালম সাহিত্যিক এম. টি বাসুদেৱ নায়াৰ আৰু কেৰালা সাহিত্য একাডেমী বঁটা,পদ্মৰাজন বঁটা, চলচিত্ৰ একাডেমী বঁটা প্ৰাপক ইডশ্বেৰী হৰিকুমাৰৰ বিখ্যাত অনুবাদ সমৃদ্ধ গ্ৰন্থ -

অসম সাহিত্য সভা

# হৃদয় নদীৰ ঘাট

## নলিনী কুমাৰ বৰা

# দেৱী শ্ৰীপাৰ্বতীৰ পৱিত্ৰ ভৰি

## ইডশ্বেৰী হৰিকুমাৰ

লেখক পৰিচিতি

ইডশ্বেৰী হৰিকুমাৰৰ এগৰাকী মালয়ালম চুটিগল্প লিখক। তেওঁৰ দেৱী শ্ৰীপাৰ্বতীৰ পৱিত্ৰ ভৰি গল্পটো ১৯৮৮ চনত Sreeparvatiyude Paadam নামৰ গল্প পুথিত প্ৰকাশ পায়।

গ্ৰীষ্মকালৰ ৰাতি যেতিয়া দক্ষিণ-পশ্চিম মৌচুমী বতাহৰ প্ৰভাৱত হুৰহুৰকৈ প্ৰথমজাক বৰষুণ নামি আহে, শুকান মাটিবোৰ তিতি এটা ফুৰফুৰীয়া গোন্ধ আহি তাইৰ নাকত লাগে, মাধৱীয়ে তেতিয়া মাতৃগৃহত থকা গছবোৰৰ কথা ভাবে।

সন্মুখৰ মুকলি আহল-বহল চোতালত নিৰ্মাণ কৰা নায়াৰসকলৰ বিশেষ স্থাপত্যৰ নিদৰ্শন নালুকেট্টু ঘৰ। ঘৰটোৰ প্ৰথমমহলাৰ খিৰিকীয়েদি বৰষুণ চালে দেখা পাব বৰষুণৰ ঘন ঘন টোপাল, গছৰ হেন্দোলনি আৰু নাৰিকল পাতৰ কঁপনি। যেতিয়া শুবলৈ লোৱা হয়, তেওঁ শুনিবলৈ পাব চালৰ খাপৰিত দবা বজোৱাৰ দৰে গুমগুমনি শব্দ, গছৰ মাজেদি উৰি যোৱা বাদুলীৰ ডেউকা কোবোৱাৰ সো-সোৱনি শব্দ, ভেকুলীৰ টোৰ্‌টোৰনি আৰু উঁই চিৰিঙাৰ জি-জিয়নি...! সকলো মিলি এটা কোৰাছ সৃষ্টি হয়। এইবিলাকৰ উপৰি দূৰৰ পৰাই শুনা যায় সাগৰৰ প্ৰচণ্ড গৰ্জন। কোচি টাউনত সাগৰৰ এই গৰ্জন আশা কৰিব



নোৱাৰি। ইয়াৰ সাগৰত তৌৰ গৰ্জন নাই, মাথোঁ ফোচফোচনিহে শুনা যায়। যদিও সাগৰখন নিচেই কাষতে আছে কোনো এজন ব্যক্তিয়ে ইয়াৰ অৱস্থিতিৰ বিষয়ে বৰ বেছি অনুভৱ নকৰে। ইয়াত বৰষুণ চৰকাৰী চাকৰিয়ালৰ দৰে। সময়ত আহিব আৰু মাত্ৰ প্ৰয়োজনীয় কথাকেইটা হিচাপত ক'ব। গছবোৰৰ পাত তিয়াব, সৰাব...গছবোৰৰ? এইখন টাউনত গছবোৰ ক'ত আছে?

ৰবিয়ে বেৰৰফালে মুখ কৰি শুই আছে, তাৰ এতিয়াও টোপনি অহা নাই। শুনাচোন, তোমাৰ টোপনি আহিছে নেকি?

ঃ নাই অহা।— তেওঁ ক'লে।

ঃ তোমাক কিবা লাগে?

কথাটো হৈছে, তেওঁৰ টোপনি অহাৰ আশা প্ৰায় নাইকিয়া হৈ গৈছে।

ঃ একো নালাগে, মাত্ৰ সুধিব বিচাৰিছোঁ শনিবাৰে মই কোট্টাপ্পাডীলৈ যাব পাৰিমনে?

ৰবি চাট্ কৰে উঠিল। গাৰুটো ৰেলিঙত থিয় কৰি থ'লে আৰু গাৰুটোত ভেঁজা দি বহি লৈ সুধিলে।

ঃ তুমি কি কৈছিলা?

ঃ মই অহা শনিবাৰে মাতৃগৃহলৈ যাব পাৰিমনে?

ৰবিয়ে মাধৱীৰ আগ-গুৰি নথকা কথা শুনিবলৈ নিচিবাৰে বিশেষকৈ ৰাতি যেতিয়া টোপনি প্ৰায় আহোঁ আহোঁ হয় তেতিয়া।

আনকি যেতিয়া শুনিব লগা হয় তেতিয়াও তেওঁ কথাখিনিত সঁহাৰি দিয়ে উমঃ আঃ আদি শব্দৰে। কিন্তু যেতিয়া মাধৱীয়ে মাতৃগৃহলৈ যোৱাৰ কথা কৈছে এইটো অলপ ব্যতিক্ৰম। কথাখিনিত মনোযোগ দিব লাগিব। এইটো তেওঁৰ তীৰ্থ যাত্ৰা আৰু এয়া তেওঁৰ অন্তৰৰ আহ্বান। যেতিয়া সি অনুভৱ কৰে যে তেওঁ আনমনা হৈ পৰিছে বা যেতিয়া এখন প্লেট তাইৰ হাতৰ পৰা পৰি ভাগি গৈছে ৰবিয়ে নিজেই পৰামৰ্শ দিয়ে— 'মাধৱী তোমাৰ তীৰ্থযাত্ৰাৰ সময় হৈছে। কিন্তু এইবাৰ তেনে একো ঘটা নাই, আনহে নালাগে গিলাচ এটাও ভগা নাই!'

বোধহয় তেওঁৰ অন্তৰাত্মাই আহ্বান জনাইছে? সম্ভৱতঃ এইটোৱেই অনাকাংক্ষিতভাৱে অহা আহ্বান যি তাইক প্ৰভাৱিত কৰিছে।

বিজুলীৰ পোহৰ বাহিৰত ঘনে ঘনে দেখা গৈছে। অলপ পিছতে মেঘৰ কাণ তাল মৰা গৰ্জন শুনা গ'ল! তাৰ পিছত আকৌ মেঘৰ গাজনি। এটা ঠাণ্ডা বতাহ খিৰিকীয়েদি কোঠাৰ ভিতৰলৈ সোমাই আহিল আৰু কোঠাৰ ভিতৰৰ উষ্ণতা কিছু হ্ৰাস কৰি দিলে। এনেকুৱা ঠাণ্ডা বতাহত এখন ব্লেংকেট গাত মেৰিয়াই লৈ শুই থাকিবলৈ মজা নালাগিবনে বাৰু!

ঃ এইটো বেয়া হৈছে।

ঃ কি?

ঃ তুমি যে মোক এতিয়া টোপনিৰ পৰা উঠাই দিলা।

ঃ মই দুখিতঃ।— তাই ক'লে— তুমি এতিয়া টোপনি যাব পাৰা।

তাইৰ কণ্ঠত এটা করুণ ভাব ফুটি উঠিছে। তাই জানে যে বৰষুণৰ শব্দ মাকৰ নিচুকনি গীতৰ লেখিয়া, তাৰ লগত শীতল বতাহ বলি থাকিলে যিকোনো এজন লোক সহজে টোপনিৰ কোলাত ঢলি পৰিব। এইটোও সঁচা যে টোপনিত পৰা এজন লোকৰ টোপনি ভাঙি দিয়াটো উচিত নহয়।

তেওঁ পুনৰ বিছনাত পৰিল আৰু মাধৱীক সাৱটি ধৰি চুমা খালে।

ঃ তুমি ঘৰলৈ যোৱা; এই শনিবাৰেই যোৱা।

ঃ সেইটো হ'লে তোমাৰ কিবা অসুবিধা হ'ব নেকি?

ঃ আ! নহয়, একো অসুবিধা নহয়। থানকামে পুৱাৰ আহাৰ বনাব। তাই যোৱাৰ আগতে ভাত আৰু আঞ্জাও দুপৰীয়া সাজৰ বাবে বনাই থৈ যাব পাৰিব। ৰাতি ল'ৰাহঁতৰ লগত সকলোৱে মিলি ভাতকেইটা বনাই খাব পাৰিম। নাই, এইটো কেতিয়াও অসুবিধাৰ কথা হ'ব নোৱাৰে।

পিছদিনা দুপৰীয়ালৈ একেৰাহে বৰষুণ আহিয়েই থাকিল। তাৰ পিছত বৰষুণ এৰিলে, লাজ অলপ কমাবৰ বাবে সূৰ্যটো ভবাতকৈ আগতেই দৃষ্টিগোচৰ হ'ল আৰু মাৰ যাব ধৰা সূৰ্যক পৃথিৱীক তাৰ ৰশ্মিৰে উজ্জ্বল কৰিবলৈ সুবিধা দিলে।

ভিজা মাটিয়ে মাধৱীক আদৰণি জনালে, যেতিয়া তাই বাছৰ পৰা নামি গাঁৱৰ মাটিত ভৰি দি ঠেক বাটটোৱেদি মাতৃগৃহলৈ আগবাঢ়িছিল। কেইবাদিনো ধৰি অহা বৰষুণে পথটো যাতায়াতৰ বাবে অসুবিধাজনক কৰি তুলিছে। তাই ঠেক পথটোত ভৰি দিয়াৰ আগতে চেণ্ডেল খুলি হাতত ল'লে। মাটিৰ শীতল পৰশে খালী



ভৰিয়েদি লাহে লাহে গোটেই শৰীৰ স্পৰ্শ কৰিলে। বাঁহৰ বেৰাৰ সিপাৰৰ পৰা অহা আমফুলৰ গোন্ধই গোটেই ঠাইখন সুৱাসিত কৰি তুলিছে। এই গোন্ধটো তাইৰ চিনাকি। তাইৰ শিশুকালৰ পৰা বৰ্তমানলৈকে এই পথটোত নিৰ্দিষ্ট ঋতুত এই গোন্ধটো পাই আহিছে। এবাৰ মৌচুমী বায়ু ইয়াত প্ৰৱেশ কৰিলে সুৱাসটো সুগন্ধিলৈ পৰিৱৰ্তিত হয় আৰু শুকান পাতৰ গোন্ধৰ লগত বকুল ফুলৰ সুৱাস একাকাৰ হৈ পৰে।

গোহালি ঘৰৰ কাষেদি গৈ মাধৱী ঘৰৰ পুৰণি আৰ্হিৰ গে'টখন পাৰ হৈ চোতাললৈ আগবাঢ়ি গ'ল। চেলভিয়া গছবোৰ সোণালী ৰঙৰ মুকুট যেন লগা ফুলৰ সৈতে এটা শাৰীত থিয় হৈ আছে, দেখাত এনে লাগিছে যেন মুকুট পিন্ধা ৰাজকুমাৰীৰ এটা দল সাজু হৈ আছে স্বয়ম্বৰ ব্যৱস্থাৰে বিয়া হ'বলৈ। সাধাৰণতে শেৱালি গছৰ তলত ভালেমান ফুল সৰি থকা দেখা যায়। গছৰ তল ৰাতিপুৱাতে তিতি গ'ল, তাই মাথোঁ চাৰি পাঁচপাহমানহে সতেজ ফুল গছৰ তলৰ পৰা বুটলি আনিব পাৰিলে।

তাইৰ বায়েক সাৰদা বাৰাণ্ডাতে আছিল। তাই ভনীয়েকক আগবঢ়াই নিবলৈ খৰখৰকৈ নামি আহিল।

ঃ ৰামাতা, চোৱাহিচোন এয়া কোন?— গিৰীয়েক ৰামক সন্মান জনাই ৰামাতা বুলি সাৰদাই মাত দিলে।

ৰাম বাহিৰলৈ আহিল। সাধাৰণতে পিন্ধাৰ দৰে তেওঁ ধুতি পিন্ধিছে আৰু কান্ধত এখন টাৱেল লৈ আছে।

ঃ মাধৱী! কি হ'ল? ৰবিয়ে তোমাক খেদি পঠিয়াইছে নেকি?

ঃ ৰবিয়ে মাধৱীক ইমান সহজে খেদি পঠিয়াব নোৱাৰে।— সাৰদাই ক'লে।

ফুলৰে পৰিপূৰ্ণ জেছমিনজোপা, আহল-বহল তুলসী গছৰ পৱিত্ৰ ভেটিটো এতিয়াও আছে। ঘৰৰ ভিতৰলৈ সোমাই যোৱাৰ পৰিৱৰ্তে, মাধৱী ফুলৰ সুৱাস লৈ চোতালতে থিয় দি থাকিল।

ঃ আইতাৰ এই জেছমিনজোপা এতিয়াও ফুলি আছে নহয়নে?

ঃ এবাৰ যেতিয়া বৰষুণ দিয়া আৰম্ভ হয়, ঠাৰিবোৰ ফুলেৰে ভৰি পৰে।

তাইৰ মনত পৰিল সৰু সৰু ঠাৰিবোৰ ফুলেৰে ভৰি থকাৰ কথা, যিসময়ত

তাই আছিল এজনী সৰু ছোৱালী।

ঃ অহ! কি দৃশ্য!— ৰামে ক'লে— এহাতে তেওঁৰ চেণ্ডেল আৰু আনখন হাতত বেগ। এনে লাগিছে যেন তেওঁ নিজেই চোতালত থাকিবলৈ গৈছে। আমি তেওঁৰ বাবে নাৰিকল পাতেৰে এখন অস্থায়ী চালি বনাই দিব পাৰোঁ, যেতিয়ালৈকে তেওঁ উভতি নাযায়।

মাধৱীয়ে হাঁহিলে।

ঃ সেইখন ইয়াত, এই জেছমিনজোপাৰ কাষতে হওক।

ঃ তুমি ভিতৰলৈ আহা।— সাৰাদাই মাধৱীক টানি ভিতৰলৈ লৈ গ'ল।

পাকঘৰৰ ভিতৰৰ পৰা বগা বৰণৰ ধোঁৱাবোৰ ঘৰৰ ছালত লগোৱা খাপৰিৰ ফাঁকেদি কুণ্ডলী পকাই ওপৰলৈ উৰি গৈছে। কেঁচা পিঠাগুড়িৰ লগত ৰোকা নাৰিকলৰ গুড়ি মিলাই ভাপত সেকা 'পুট্টু' পিঠাৰ লোভ লগা গোন্ধ তাইৰ নাকত লাগিছেহি। যেতিয়া মাধৱীয়ে পুট্টু পিঠাৰ গোন্ধ পায়, তাই গোন্ধটো নাকেৰে উজাই অন্তৰ্ভাগলৈ টানি নিয়ে।

বাৰাণ্ডাৰ খটখটীত চেণ্ডেলযোৰ থৈ, হাত-ভৰি ধুই তাই পোনে পোনে পাকঘৰলৈ দীঘল কৰিডৰেদি আগবাঢ়িল। দুটা ক'লা-বগা মেকুৰী নেজ পোন কৰি থিয় হ'ল, লগে লগে আহিল বায়েক সাৰদা, ভিনিহিয়েক ৰাম আৰু সিহঁতৰ ছোৱালী সুপ্ৰিয়া; যি এইমাত্ৰ ঘৰৰ প্ৰথমমহলাৰ পৰা নামি আহিছে তাইৰ মাহীয়েক আহি পাইছে বুলি শুনি আৰু ঘৰৰ পৰিচাৰিকা পুৰুকুট্টি সকলো মিলি সৰু সমদল এটা সৃষ্টি হ'ল। তাই খোজকাঢ়ি থাকোঁতে মেকুৰী দুটা ভৰিৰ ফাঁকেদি পাৰ হৈ গৈছে। সমদলটো আনুষ্ঠানিকভাৱে অন্ত পৰিল পাকঘৰৰ সন্মুখত থকা দীঘলীয়া হলঘৰটোত ৰখা ডাইনিং টেবুলৰ সন্মুখত।

ক'তো একো পৰিৱৰ্তন হোৱা নাই। সকলো স্বাভাৱিক যেন লাগিছে, সেউজীয়া ঘাঁহৰ গোন্ধ, গোহালিৰ পৰা অহা গৰুৰ হেম্বেলনি, জুন মাহৰ বিশেষভাৱে উজ্জ্বল সূৰ্য্য। ৰবিৰ লগত তাইৰ ঊনত্ৰিশ বছৰ বয়সত বিয়া হোৱাৰ পৰা এয়া তাইৰ বাবে স্বৰ্গপুৰী হৈ পৰিল। তাই এই পোন্ধৰ বছৰ এইখন স্বৰ্গপুৰীৰ পৰশৰ পৰা আঁতৰত থাকিব লগা হৈছে। 'মই ইয়ালৈ ছমাহত এবাৰ নহ'লেও অন্ততঃ বছৰত এবাৰ তীৰ্থযাত্ৰা কৰি হেৰুওৱা গৌৰৱ পুনৰ প্ৰাপ্তিৰ আনন্দ কেইটামান দিনৰ বাবে



হ'লেও উপভোগ কৰিব বিচাৰোঁ, তাই নিজে নিজকে ক'লে।

ৰাম আৰু সাৰদা টেবুলৰ সিপাৰে বহিছে দুয়ো মাধৱীলৈ আগ্ৰহ আৰু মৰমসনা দৃষ্টিৰে তাই কাৰীৰ লগত পট্টু খোৱা দৃশ্য চাই আছে। মাধৱীৰ কাষতে বাঁওফালে থকা চকীখনত সুপ্ৰিয়া বহিছে।

ঃ চোৱাচোন ৰবিয়ে তাইক উপযুক্ত পৰিমাণে আহাৰো নিদিয়ে। তাই দেখাত কেনেকুৱা হৈ পৰিছে মন কৰাচোন।— ৰামে পুনৰ ধেমালি কৰি কথাষাৰ ক'লে।

ঃ তাইক জোকাবলৈ চেষ্টা নকৰিবা।— সাৰদাই ক'লে— তাইক শান্তিৰে খাবলৈ দিয়া।

ঃ মই কি ভুল কৈছো। চোৱা তাই কিদৰে আহাৰ গিলিছে।

তাই ইতিমধ্যে এটা ডাঙৰ পুট্টু পিঠা খাইছে, লগত উপযুক্ত পৰিমাণে তৰকাৰী।

ঃ সেইটো ঠিকেই, আৰু তুমি চিন্তা কৰিব নালাগে।— মাধৱীয়ে তেওঁৰ মুখে মুখে ক'লে।

ঃ গৰম গৰম পুট্টু বনাই থোৱা আছে।

ঘৰৰ পুৰণি কৰ্মচাৰী পুৰুকুট্টিয়ে পাকঘৰৰ পৰা ক'লে—

ঃ মই আপোনাৰ বাবে এটা নিওঁ নেকি?

ঃ নালাগে।— মাধৱীয়ে উত্তৰ দিলে আৰু অলপ চিন্তা কৰি ক'লে—

ঃ মই যেতিয়া মাত্ৰ এটা সৰু পুট্টু খাওঁতেই লোকে সেই বিষয়ে মাত দিবলৈ ধৰিছে তেন্তে...

ঃ অ' গড, মই যাওঁ।— ৰামাই টাৱেলখন পিছফালে কান্ধত পেলাই ল'লে আৰু ক'লে— মোৰ খেতিৰ পথাৰত কাম আছে, মই আহিলো।

ঃ আনক আমনি দি থকাতকৈ তুমি যোৱাই ভাল। নহয় নে সোণজনী?

মাধৱীয়ে সুপ্ৰিয়ালৈ চাই খুউব মৰমসনা মাতেৰে মুখলৈ কোমল ভাব আনি কথাষাৰ ক'লে।

সুপ্ৰিয়াই টেবুলত দুয়োখন হাত ৰাখি কথাষাৰ সমৰ্থন জনোৱাৰ ভাব মুখত আনি পেহীয়েকলৈ চকুৰ টিপ নমৰাকৈ একান্তভাৱে চাই আছে।

দেউতাকে মাহীয়েকক জোকাই থকা বাবে তাই ভাল পোৱা নাই। আনকি তাই মনত দুখ অনুভৱ কৰিছে, সেয়ে তাই এপলক ব্যয় নকৰাকৈ সন্মতিসূচকভাৱে

মূৰ দুপিয়াই সমৰ্থন জনালে।

মাধৱীয়ে এটা কাগজৰ বাকচ নিজৰ বেগৰ পৰা উলিয়ালে আৰু তাইৰ হাতত দিলে।

ঃ কোৱাচোন ইয়াৰ ভিতৰত কি আছে?

ঃ মই জানো।

সুপ্ৰিয়াই বাকচটো খুলিলে আৰু পুতলাটো উলিয়ালে। তাইৰ মুখখন পোহৰ হৈ পৰিল। তাই পুতলাটো টেবুলত থ'লে।

ঃ অ' ই চকুকেইটা জপাই আছে!

ঃ তাইৰ ইতিমধ্যে চাৰিটা ল'ৰা-ছোৱালীৰ বোজা আছেই।— ৰামাই ক'লে— এতিয়া আৰু এটা কেঁচুৱা, ভগৱানেহে জানে তাই কেনেদৰে চম্ভালিব।

সুপ্ৰিয়া দৌৰি উভতি আহিল, হাতত তাইৰ চাৰিটা পুতলা। তাই পাচোঁটা পুতলা টেবুলৰ ওপৰত একেশাৰীত বহুৱাই সজালে। ৰঙা ওঁঠৰ সৈতে সিহঁত সকলোকে তাইৰ জীয়েক যেন লাগিছে।

ঃ সুপ্ৰিয়া আমি বাৰীৰ পৰা লাকী 'ৰঙা চন্দনৰ গুটি' আনোগৈ ব'লা। যাবানে সোণজনী?

সুপ্ৰিয়াই মূৰ দুপিয়াই সন্মতি জনালে।

ঃ মাধৱী তুমি ৰজা মাছ খাই ভাল পোৱানে? মাছৰ পোহাৰীগৰাকীয়ে এইমাত্ৰ মাছটো দি গ'ল।— সাৰদাই সুধিলে

ঃ হ'ব, তুমি জানাই মই এই মাছটো ভাজিলেহে খাই ভাল পাওঁ।

ঃ এই ছোৱালীজনীয়ে সদায় ভজা মাছহে ভাল পায়।— পুৰুকুট্টিয়ে হাঁহি হাঁহি কথাষাৰ ক'লে।

সুপ্ৰিয়াই কঁকালত নতুন পুতলা বহুৱাই লৈ বাহিৰলৈ গ'ল।

ঃ মাহী আহক।— দুৱাৰমুখৰ খটখটীত বৈ তাই মাত দিলে।

ঃ মই আহি আছোঁ।

সুপ্ৰিয়াৰ পিছে পিছে মাধৱী আগবাঢ়িল আৰু বাৰীৰ ভিতৰত ঘূৰিবলৈ ধৰিলে। ঘাঁহ-বনৰ পাতত জিৰণি লৈ থকা ফৰিংবোৰ সিহঁত ওচৰ চপাৰ লগে লগে জঁপিয়াই জঁপিয়াই আঁতৰি গৈছে।



ঃ এদিন এটা ফৰিং ঘৰৰ ভিতৰলৈ আহিছিল।— সুপ্ৰিয়াই ক'লে— আম্মাই তেতিয়া কৈছিল যে যদি ফৰিং ঘৰৰ ভিতৰলৈ আহে ই লগত টকা-পইচাও লৈ আহে।

ঃ কথাটো হয়নে?

ঃ হয়, কিন্তু ই ফলৱতী নহয় যদিহে আমি তাক ধৰি ঘৰৰ ভিতৰলৈ নিওঁ। ই নিজে নিজে আহিব লাগিব।

ঃ হয় নেকি?

ঃ ও।

তাইৰ জিলিকি থকা চুলিখিনি কান্ধলৈকে পৰা, চুলিখিনিয়ে টৌ খেলে যেতিয়া সৰু ছোৱালীজনীয়ে খলা-বমা ঠাইত জঁপিয়াই যাব লগা হয়।

ঃ সোণজনী, আমাক বহুত টকা-পইচা কেলৈ লাগে?

ঃ আপুনি ক'ব বিচাৰিছে টকা?

ঃ ও।

ঃ টকাৰে আমি বহুত পুতলা কিনিব পাৰিম।— বেচেৰী ছোৱালীজনী, ৰামাই তাইৰ বাবে কোনো পুতলা নিকিনে। ক'বলৈ গ'লে তাইৰ লগত থকা আটাইকেইটা পুতলা বেলেগ বেলেগ প্ৰয়োজনত মাধৱীয়ে কিনি তাইক উপহাৰ দিছে। তাইযে কিমান যত্নৰে সেইকেইটাক সংৰক্ষণ কৰি ৰাখিছে। প্ৰতিবাৰে তাইৰ বাবে এটা নতুন পুতলা কিনোতে ৰামা আৰু সাৰদাই কয়— "তুমি অত্যধিক মৰম কৰি তাইক নষ্ট কৰিবা।' গছজোপাৰ তলত ভালেমান লাকী ৰঙা, চন্দনৰ গুটি আছে। যেতিয়া সেয়া বুটলিবলৈ সিহঁত বহিল, সুপ্ৰিয়াই ক'লে—

ঃ মাহী আমি এটা বস্তু পাহৰিলোঁ।

ঃ সেইটো কি সোণজনী?

ঃ আমি এটা পাত্ৰ লৈ আহিব লাগিছিল। মই ভবা নাছিলোঁ যে এইবোৰ ইমান বেছি পৰিমাণে পাম।

ঃ চিন্তা নকৰিবা। আমি সেয়া বুটলি গছৰ পাতত গোটাম।

বাৰীখন গছেৰে ভৰি আছে। কঁঠাল, গছ, আমগছ, তেঁতেলি গছ, চেগুন গছ আৰু অন্যান্য বহু গছ আছে যিবোৰৰ নাম তাই নাজানে। মাধৱীয়ে তাইৰ

আইতাকৰ কথা ভাবিলে। যেতিয়া তাই সুপ্ৰিয়াৰ নিচিনা এজনী সৰু ছোৱালী আছিল। তাই প্ৰতিদিনে আইতাকৰ লগত প্ৰাতঃভ্ৰমণলৈ গৈছিল বাৰীৰ গছবিলাকৰ মাজে মাজে আৰু প্ৰতিজোপা গছ নিৰীক্ষণ কৰিছিল। আঢ়ৈ একৰ মাটিৰ বাৰীখনত থকা গছবিলাক আনকি বনৰীয়া গছবিলাকৰ নামো আইতাকে জানিছিল। তেখেতে পাচলি বাৰীৰ প্ৰতিটো কলি নিৰীক্ষণ কৰি আহিছিল।

মাধৱীয়ে এটা দিনৰ কথা মনত পেলালে— যিদিনা মাধৱী আৰু আইতাকে প্ৰাতঃভ্ৰমণৰ পৰা উভতি আহিছে, তেওঁলোকে দুজন মানুহ দেখা পালে— এজনৰ হাতত এখন কুঠাৰ আৰু আনজনৰ কান্ধত এখন দীঘল কৰত। নাৰিকল গছৰ মাজত গজা গছবিলাকৰ কোনো বাণিজ্যিক মূল্য নাই। আপ্পাই তেওঁলোকক মাতি আনিছে এই গহৰা গছবিলাক কাটিবলৈ। যেতিয়া আইতাই আপ্পাৰ আঁচনিৰ বিষয়ে জানিব পাৰিলে, তেওঁৰ অতিশয় খং উঠিল।

ঃ এই চৌহদত থকা এজোপাও গছ বাগৰিব নোৱাৰিব। আমি কোনো গছ নাকাটো, মাথোঁ নতুনকৈ গছপুলি ৰোপণহে কৰিম।

ঃ আম্মা আমি যদি এই বনৰীয়া গছবিলাক কাটি নাৰিকল পুলি ৰুই দিওঁ তেতিয়াহ'লে নাৰিকলৰ উৎপাদন বৰ্তমানকৈও দুগুণ বৃদ্ধি পাব।— দেউতাকে আইতাক বুজাবলৈ চেষ্টা কৰিলে, কিন্তু কোনো ফল নধৰিলে।

ঃ আমি এতিয়া যিখিনি নাৰিকল পাই আছোঁ, সেয়াই যথেষ্ট।

যেতিয়া দেউতাকে বুজি পালে যে আইতাকক কোনোপধ্যে সন্মত কৰাব নোৱাৰে, দেউতাকে মিচিকিয়াই হাঁহিলে, আৰু ক'লে—

ঃ হ'ব আম্মা, আমি এজোপা গছো নাকাটো।

যেতিয়া কাম কৰা মানুহ কেইজনক ঘূৰাই পঠোৱা হ'ল, আইতাই তেওঁলোকক মাতি আনিলে আৰু তেওঁলোকক আধা দিনৰ মজুৰি দিবলৈ আপ্পাক ক'লে।

আইতাই কৈ থৈ গৈছিল তেওঁৰ অন্ত্যেষ্টিক্ৰিয়াৰ কাৰণে যি কাঠ লাগিব সেয়া বাহিৰৰ পৰা কিনি আনিব, বাৰীৰ পৰা এডাল গছো সেই উদ্দেশ্যে কাটিব নালাগে!

ঃ মাহী আপুনি কি ভাবি আছেনো?

মাধৱী অতীতৰ চিন্তাজগতৰ পৰা তাইৰ বৰ্তমানলৈকে ঘূৰি আহিল।

ঃ মই ভাবিছিলোঁ মোৰ আইতাৰ বিষয়ে। তুমি তেখেতক দেখা নেপালা।



তেখেতৰ ফটো এনৰ্লাজ কৰি বাৰাণ্ডাৰ বেৰত ওলোমাই থোৱা আছে। তোমাৰ মা আৰু মই তেখেতৰ নাতিনী। আইতাৰ পৰাই এই পৰিয়ালটোত কেৱল ছোৱালী সন্তানহে জন্মিছে। আইতাৰ আছিল দুজনী ছোৱালী। তেওঁলোক প্ৰত্যেকগৰাকীৰ এজনীকৈ ছোৱালী, তোমাৰ মা আৰু মই। কিন্তু মইহে সেই পৰম্পৰা ভংগ কৰিলোঁ। মোৰ দুটা বন্য মেকুৰী, যদিও মই ছোৱালীহে বেছি পচন্দ কৰোঁ।

ঃ মাহী আপুনি মোক ভাল পায়নে?

মাধৱীয়ে তাইলৈ চালে। তাই আগ্ৰহেৰে উত্তৰলৈ বাট চাই আছে আৰু এনে ভাবে চাইছে যেন উত্তৰটোত তাইৰ ভৱিষ্যৎ নিৰ্ভৰ কৰিছে। তাই চকুত উৎসুকতাৰ ভাব লৈ ৰৈ আছে।

ঃ এইটো কি প্ৰশ্ন? তোমাক মই ভাল পাওঁনে?— মাধৱীয়ে তাইৰ গালত চুমা খালে।

ঃ তুমি মোৰ আটাইতকৈ মৰমৰ কন্যা।

সুপ্ৰিয়াৰ মুখখনত ৰাঙলী আভা বিয়পি পৰিল।

ৰঙা চন্দনৰ গুটি সংগ্ৰহ কৰাৰ পিছত তেওঁলোকে খোজকঢ়া আৰম্ভ কৰিলে।

ঃ তুমি দেৱী শ্ৰীপাৰ্বতীৰ ভৰি দেখা পাইছানে?

ঃ নাই দেখা।

তাই মাধৱীলৈ অনুসন্ধিৎসু ভাবেৰে চালে বস্তুটো কি জানিবৰ বাবে।

ঃ ইয়াত দোৰোণ নামৰ বনগছ আছে, যিজোপাৰ বৰষুণৰ কৃপাত সোনকালে শ্ৰীবৃদ্ধি হয়। যেতিয়া গছত ফুল ধৰে তেতিয়া ফুলেৰে গছজোপা উপচি পৰে। তেওঁ এপাহ ফুল ছিঙিলে আৰু নিজৰ হাতৰ তলুৱাত ফুলপাহ তলমুৱাকৈ ধৰিলে। তেওঁ ফুলপাহ সুপ্ৰিয়াক দেখুৱালে।

ঃ এইটো এতিয়া কেনেকুৱা দেখা গৈছে।

ঃ এইটো এটা ভৰিৰ নিচিনা লাগিছে।

ঃ এইটোৱেই দেৱী শ্ৰীপাৰ্বতীৰ ভৰি। এয়া মোক দেখুৱাইছিল মোৰ আইতাই। তাৰ পিছত যেতিয়াই মই আমাৰ কেৰালাৰ বিখ্যাত 'ও নম' উৎসৱত ফুলৰ ৰঙ্গুলি বনাওঁ, দোৰোণ ফুল এপাহ তলমুৱাকৈ তাৰ মাজত থওঁ। তেতিয়া দেৱী শ্ৰীপাৰ্বতী আমাৰ ঘৰলৈ 'ও নম'ৰ দিনা আহে।

সুপ্রিয়াৰ চকু উৎসাহত ডাঙৰ হৈ পৰিল।

ঃ ময়ো ইয়াৰ এপাহ ফুল 'ও নম' উৎসৱত এইবাৰ ফুলৰ ৰঙ্গুলিৰ মাজত আপুনি কোৱাৰ দৰে ৰাখিম।

সিহঁত যেতিয়া ঘৰ পালেহি, সুপ্রিয়াই ৰঙা গুটিবোৰ তাইৰ এটা সৰু মাটিৰ পাত্রত ৰাখিলে।

ঃ আম্মাই এই মাটিৰ পাত্রটো ডিচেম্বৰ মাহৰ দীঘল নিশাত যে পাতে 'তিৰোভাতিৰ' উৎসৱ সেইদিনা দিছিল।

ৰঙা গুটিবোৰ মাটিৰ পাত্রটোত ভৰোৱাত প্রায় চাৰিভাগৰ তিনিভাগ পূৰ হৈ পৰিল। সুপ্রিয়াই আৰু এটা সৰু পাত্র দেখুৱালে। এইটো ৰঙা ৰঙৰ লাটুমণি গুটিৰে ভৰ্তি হৈ আছে।

সৰু মাটিৰ পাত্রটো ৰঙা লাটুমণি গুটিৰে ভৰ্তি। পুতলাবোৰে চকু জপাই, যেতিয়া তলমূৰ কৰি দিয়া হয়। সুপ্রিয়াৰ পৃথিৱীখন সৰু আৰু ধুনীয়া। মুহূৰ্তৰ বাবে মাধৱীয়ে সূক্ষ্মভাৱে তাইক নিৰীক্ষণ কৰিলে।

সেইদিনা সন্ধিয়া ধাৰাসাৰে বৰষুণ আহিল। বৰষুণৰ টোপালবোৰ ইমান ডাঙৰ আছিল আৰু এনেকুৱা লাগিছিল যেন টাইল্চৰ চালত শিলগুটিহে পৰিছে। গছৰ ডাঙৰ ডাঙৰ ডালবোৰো প্রচণ্ড বতাহে বগৰাই পেলাইছে। তামোলৰ গছ কেইবাজোপাও বাগৰি পৰিছে। আলুৰ পুলিবোৰৰ পাতবোৰো ফালি-ছিৰি পেলাইছে। গৰুবোৰে মূৰ স্থিৰ কৰি থিয় দি আছে। মাধৱীয়ে ঘৰৰ প্রথমমহলাৰ এটা কোঠাত খিৰিকীৰ কাষত বহি সুপ্রিয়াক সাবটি মৰমেৰে কোলাত বহুৱাই লৈ বাহিৰৰ বৰষুণ চাই আছে। তাইৰ স্মৃতিয়ে তাইক শিশু কাললৈ ওভোতাই নিলে। মূধচৰ চাল সহ কাঠেৰে নির্মিত কোঠাৰ বাৰ্ণিচৰ গোন্ধ, সৰু বিচনা আৰু মেহগনি কাঠৰ টেবুল, যিসমূহ আচবাবৰ গপছ খুঁটাসমূহ আছিল কুণ্ডত কটা, প্রার্থনাঘৰ— য'ত আছিল দেৱ-দেৱীৰ বিভিন্ন ফটো আৰু মূর্তি— এইসমূহৰ উপৰি চাউল থ'বৰ বাবে আছিল কাঠৰ এটা ডাঙৰ বাকচ। সুপ্রিয়াৰ বয়সত মাধৱীয়ে বাকচটোৰ সাঁফৰ খুলি চাউলৰ গোন্ধ শুঙি লৈছিল। মাধৱীয়ে কল্পনা কৰিছে সুপ্রিয়ায়ো সম্ভৱতঃ সেইদৰে গোন্ধ লৈ ভাল পায়।

ঃ তোমালোক দুয়োজনীয়ে ওপৰত আহি কি কৰিছা? মই তোমালোকক



তলৰ মহলাৰ সকলোতে বিচাৰি ফুৰিছোঁ।— সাৰদাই কৈ কৈ চিৰিয়েদি ওপৰলৈ উঠি আহিল।

ঃ বিশেষ একো নাই আম্মা, আমি বহি বহি বৰষুণ চাই আছোঁ।

সাৰদা খিৰিকীৰ কাষত থিয় হ'ল। তেৱোঁ খিৰিকীৰে এইদৰে চাইছে যেন প্রথমবাৰহে বৰষুণ দেখিছে।

ঃ চোৱা, এইবছৰ কিন্তু বৰষুণ সোনকালে আৰম্ভ হ'ল।

তেওঁৰ কণ্ঠত এটা অশান্তিদায়ক পৰিৱেশৰ ভাব প্রকাশিত হ'ল। হয়তো তেওঁ ভাবিব পাৰে ডাৱৰীয়া আৰু সেমেকা আগন্তুক দিনবোৰৰ কথা, কিনকিনিয়া বৰষুণমুখৰ সন্ধ্যা, কোঠাত সেমেকা কাপোৰৰ গোন্ধ, ধাৰাসাৰ বৰষুণৰ লগত শাওণমহীয়া বৰষুণৰ সঁতাই অনা কঙাল আৰু ইয়াৰ লগত জড়িত হৈ থকা কাম-কাজবোৰ। মাধৱীয়ে শাওণমহীয়া কাৰ্কিডাকাম সন্ধিয়াৰ কথা ভাবিছিল। এই শাওণমহীয়া সংক্রান্তিৰ দিনা সন্ধিয়া পুৰুকুট্টিয়ে নাৰিকল পাতেৰে বনোৱা এটা পুৰণা পাত্রত ভাত-দালি-ভাজি সানি বনোৱা লাৰু লৈ এহাতত এটা ভঙা মাটিৰ পাত্র আৰু আনখন হাতত এডাল জোঁৰ লৈ ঘৰৰ চাৰিওফালে দৌৰি মুখেৰে কৈ যায়— 'দুষ্ট শক্তি ওলাই যোৱা, শুভ শক্তি প্রৱেশ কৰা।' যেতিয়া আমি শিশু আছিলোঁ আমি পুৰুকুট্টিৰ পিছে পিছে 'পোট্টি আট্টাল' নামৰ এই ধৰ্মীয় কাৰ্যটো সম্পাদন কৰাৰ সময়ত আমিও দৌৰিছিলোঁ। তাইৰ মনত পৰিছে সেই দিনবোৰৰ কথা, যেতিয়া সাৰদাবা আৰু তাই ঘৰৰ পিছফালে থকা বাগিচাৰ পৰা দহপাহ 'পৱিত্র ফুল' ছিঙি এখন কাঁহৰ কাঁহীত সজাই প্রার্থনাগৃহত সন্ধ্যা ভক্তিৰে থৈছিল। মাধৱীয়ে যোল্ল জুলাইত প্রায় প্রতিবছৰে পৰা এই শাওণমহীয়া সংক্রান্তিৰ সন্ধ্যা সময়খিনি বৰ ভাল পাইছিল। চাৰিওদিশৰ পৰিৱেশ হৈ পৰে নির্মল, ক'তো এটি গছপাতো পৰি নাথাকে। বতৰ ডাৱৰীয়া বা বৰষুণ দি থাকিলেও টিপ-টপ লাইট জ্বলোৱা হয়। ইয়াৰ উপৰি দূৰৈত অৱস্থিত মন্দিৰৰ পৰা ভাহি অহা দবাৰ শব্দ শুনিবলৈ পোৱা যায়। এই মধুৰ অভিজ্ঞতাবোৰে মাধৱীৰ জীৱনটো উজ্জীৱিত কৰি ৰাখিছে।

ঃ পুৰুকুট্টিয়ে এইবাৰ 'পোট্টি আট্টাল' উদ্‌যাপন নকৰে নেকি?

ঃ সেয়া শাওণমাহৰ সংক্রান্তিৰ দিনা হয়। এতিয়াও বহুত সময় আছে।

কিবা এটা ভবাৰ দৰে কৰি, সাৰদাবায়ে সুধিলে—

ঃ ল'ৰাহঁতৰ স্কুল কেতিয়া পুনৰ আৰম্ভ হ'ব?

ঃ ছয় তাৰিখে।

ঃ ইয়াত স্কুলসমূহ পুনৰ খুলিব এক তাৰিখৰ পৰা আৰু মাত্ৰ এসপ্তাহ বাকী।

তাৰ পিছত তেওঁ সুপ্ৰিয়াক ক'লে— 'আন্ধাৰ হৈ আহিছে, যোৱা আৰু গোসাঁই চাকি জ্বলোৱাগৈ।'

ঃ আম্মা এতিয়াও সময় হোৱা নাই। তুমি আন্ধাৰ হোৱা বুলি ভাবিছা ডাৱৰীয়া বতৰৰ কাৰণেহে। মই ইয়াত মাহীৰ লগত আৰামত বহি আছো।

তাই মাধৱীক জোৰেৰে সাবটি ধৰিলে।

ঃ তুমি মোৰ জীয়ৰী।— মাধৱীয়ে তাইক সাৱটি ধৰিয়েই কথাযাৰ ক'লে।

বাহিৰত বৰষুণ পৰিয়েই আছে। তিনিওজনীয়ে একো কথা নপতাকৈ খিৰিকীৰে বাহিৰলৈ চাই আছে।

মাধৱীয়ে ভাবি আছে— নগৰত কোনো এজন লোকে এনে সুমধুৰ দৃশ্য কেতিয়াও উপভোগ কৰিবলৈ নাপায়। তাত বৰষুণ পাপীৰ বাবে পুৰস্কাৰ যেন লাগে, তুমি তাত এই সুন্দৰ বৰষুণৰ ফোঁৱাৰাৰ পৰশ অনুভৱ কৰিব নোৱৰা।

ঃ সুপ্ৰিয়া এতিয়া সন্ধ্যা হ'ল। তুমি যোৱা আৰু বন্তি জ্বলোৱাগৈ।— সাৰদাবাই পুনৰ ক'লে।

সুপ্ৰিয়া তললৈ নামি গ'ল।

সাৰদাবায়ে খিৰিকীৰে বাহিৰলৈ চাই আছে। দুয়োগৰাকী কিছু সময় নিমাতে আছে। তাৰ পিছত সাৰদা বাই সুধিলে—

ঃ তুমি ৰবি আৰু শিশুকেইটাক অকলে এৰি কিয় আহিলা?

ঃ মই কিয় আহিলোঁ?— তাই ভাবিলে— কিন্তু কিয় আহিলোঁ নিজেই নাজানো!

ঃ সাৰদা বা, তোমাৰ মনত আছেনে বৰষুণৰ বতৰত যেতিয়া বাহিৰত বৰষুণ দি থাকে আমি যে খিৰিকীৰ কাষত বহি শিলগুটিৰে চেং খেলিছিলোঁ, মনত পৰেনে?

ঃ মই জানো তুমি কিয় আহিলা— সাৰদা বায়ে ক'লে।

ঃ তোমাৰ আৰু এটা কথা মনত আছেনে এটা দিনৰ কথা যিদিনা জেঠাই ওপৰমহলালৈ আমাক বিচাৰি আহিছিল প্ৰাৰ্থনাগৃহৰ চাকি জ্বলাবৰ বাবে আৰু আমাৰ হাতত থকা চেং গুটি লুকুৱাইছিলোঁ।



এনে ধৰণৰ সৰু সৰু ঘটনাবোৰ মনত পেলাব নোৱাৰে। তাইৰ সন্মুখত বৰ্তমান বহু সমস্যা, তদুপৰি আছে ভৱিষ্যতৰ নানা চিন্তা, আকৌ মাধৱীয়ে জেঠায়েকৰ জীয়েক সাৰদাবা এনেকুৱা চিন্তাত পৰিলে তাইৰ মুখখন চাই ভাল পায়।

মই সাৰদাবাক তাইৰ নিজৰ অৱস্থানত কোনো বাহিৰা বতাহৰ প্ৰভাৱ নপৰাকৈ থকাটো বিচাৰো।— তাই নিজৰ মনতে ভাবিলে।

ঃ যেতিয়া তোমাৰ আম্মাই ত্ৰিশূৰত এটা ঘৰ কিনিব বিচাৰিছিল, প্ৰয়োজনীয় ধনখিনি গোটাবৰ বাবে পশ্চিমফালে থকা ধাননি পথাৰৰ মাটিখিনি আমি বেচিব লগা হৈছিল। সেইদিনা আইতাই বিশেষ গুৰুত্ব সহকাৰে কৈছিল যে এই পৈতৃকগৃহ সহ চৌহদৰ বাৰী ভাগিনীৰ হ'ব।

সাৰদা বায়ে পুনৰ ক'লে—

ঃ আইতাই কোনো ইচ্ছাপত্ৰ প্ৰদান নকৰাকৈ সংসাৰ ত্যাগ কৰিলে। মোৰ আম্মা ভাগিনীৰ কম বয়স মানে আঠছল্লিশ বছৰ বয়সতে মৃত্যু হ'ল। মোৰ দেউতাও ঢুকাল আৰু মই এতিয়া একেবাৰে অকলশৰীয়া। যেতিয়া মই আমাৰ পৰিয়ালৰ অতীতটোলৈ চাওঁ, মই নিজেও কিমান দিন আৰু জীয়াই থাকিম; সেই কথা ভাবোঁ আৰু সেইবাবেই মই সুপ্ৰিয়াক লৈ চিন্তিত।

ঃ বাইদেউ, তুমি ইমান সোনকালে মৰিব নোৱৰা। আইতাৰ দৰে তুমিও বহু দিন জীয়াই থাকিবা।

ঃ কৃষ্ণ...কৃষ্ণ।— সুপ্ৰিয়াই সন্ধ্যাৰ গোসাঁই চাকি জ্বলালে।

এটা পোহৰ লাহে লাহে খটখটিত দেখা গ'ল, যেতিয়া সুপ্ৰিয়া খটখটীয়েদি উঠি আহিল। তাই হাতত জ্বলন্ত গোসাঁই চাকি লৈ আহিছে।

ঃ মাহী এয়া গোসাঁই চাকি।

তাই হাতত দিব্যবন্তি লৈ ওপৰলৈ উঠি আহিছে, মাহীয়েকক বন্তিগছ দেখুবাবৰ বাবে। বন্তিগছৰ আঁৰত আছে সুপ্ৰিয়াৰ মৰমলগা মুখখন। দিব্যবন্তিৰ পোহৰত উজ্জ্বল মুখখন দেখি মাধৱীৰ ভাব হৈছে যে তাইৰ জীৱন সাৰ্থক হ'ল।

পবিত্ৰ বন্তিগছিলৈ লক্ষ্য কৰি তাই থিয় হ'ল।

ঃ সোণজনী মই দিব্যবন্তি দেখা পাইছো।

তাৰ পিছত তাই নিজৰ মনতে প্ৰাৰ্থনা কৰিলে— দীৰ্ঘজীৱী হোৱা মোৰ

কণমানি ছোৱালী!

ঃ এনে লাগিছে যেন আজি ৰাতি বিজুলী বাতি নাথাকিব।

লগে লগে সাৰদা বায়ে সুপ্রিয়াই শুনাকৈ চিঞৰি ক'লে

ঃ সুপ্রিয়া কেৰাচিন তেলৰ লেম্পকেইটা জ্বলাই দিয়া।

মাধৱীয়ে অনুভৱ কৰিলে যে সিহঁত অলপ সময় মনে মনে আছে আৰু সিহঁতক আন্ধাৰে আৱৰি ধৰিছে। বৰষুণে তাৰ শক্তি সামৰ্থ হেৰুৱালে।

ঃ ৰামাতা কেতিয়া ঘূৰিব?— মাধৱীয়ে সুধিলে।

ঃ ৰামাতা, আঠ বজাত ঘূৰি আহিব মন্দিৰ কমিটি আৰু সাধাৰণ ৰাইজৰ লগত জড়িত কামখিনি শেষ হোৱাৰ পিছত।

ঃ বাইদেউ আমি তলৰ মহলালৈ যাওঁ। তাত অকল সুপ্রিয়া আৰু পুৰুকুট্টিহে আছে।

যেতিয়া তেওঁলোক চিৰিয়েদি নামি আহিল সুপ্রিয়াই তাইৰ মিঠা কণ্ঠৰে মন্ত্র উচ্চাৰণ কৰি থকা মাধৱীয়ে শুনা পালে—

ওঁম নমঃ শিবায়।

নাৰায়নয়ে নমঃ!

অচ্যুতায়ায়ে নমঃ!

সুপ্রিয়াই প্রাৰ্থনাগৃহত পদ্মাসনত বহি মন্ত্র আবৃত্তি কৰিছে। তাই কপালত ভস্মৰ ফোঁট লৈছে। লেম্পৰ পোহৰত তাইৰ দেহৰ প্রতিবিম্ব দেৱালত জীৱন্ত ছোৱালীজনীতকৈ ডাঙৰ হৈ প্রতিফলিত হৈছে, যিটো ভৱিষ্যতৰ ৰেঙনি বুলি ক'ব পাৰি। ঘন নীল বৰণৰ কৃষ্ণৰ মূৰ্তি এখন টুলত ৰাখি জেছমিন ফুলেৰে সজাই থোৱা আছে। মূৰ্তিৰ কাষত বিভিন্ন দেৱ-দেৱীৰ ফটো ৰখা হৈছে। সৰ্বোপৰি চন্দন কাঠৰ ধূপৰ গোন্ধই প্রাৰ্থনা গৃহটি আমোলমোলাই ৰাখিছে। ই এক স্বৰ্গীয় পৰিৱেশ। মাধৱী সুপ্রিয়াৰ কাষত বহি পৰিল।

তুমি এনে পৰিৱেশ মহানগৰৰ আৱাসত কেতিয়াও আশা কৰিব নোৱৰা। কংক্রীটৰ কোঠাবোৰ অন্তৰবিহীন।

তাত আধ্যাত্মিকতাৰ বাবে স্থান শূন্য। এইটো এটা কাৰণ যে তাইৰ ফ্লেটত প্রাৰ্থনাৰ বাবে এটা কোঠা নবনোৱাত তাইৰ কণমানিকেইটাক মন্ত্র আবৃত্তি কৰায়



প্রাৰ্থনাৰ বাবে এটা কোঠা নবনোৱাত তাইৰ কণমানিকেইটাক মন্ত্র আবৃত্তি কৰায় তাক নিয়মিত চৰ্চা কৰাৰ অভ্যাস গঢ়ি তুলিব নোৱাৰিলে। আন এটা কাৰণ হ'ল, সিহঁত ল'ৰা আৰু সন্ধ্যা সময়ত সিহঁতক প্রাৰ্থনাৰ বাবে বহুৱাই ৰখোৱাটো বৰ টান।

মাধৱীয়ে চকু মুদি তাত কিছু সময় বহিল। তাই চকু জপাই বহি থাকিল, সেই সুন্দৰ কণ্ঠৰ পৰা ওলোৱা শ্লোকৰ আবৃত্তি শেষ নোহোৱালৈকে। তাইৰ স্মৃতিয়ে তাইক অতীতলৈ ঘূৰাই নিলে, যিসময়ত আইতাক জীয়াই আছিল; তাই বায়েকৰ লগত শ্লোকসমূহ আবৃত্তি কৰিছিল, দেহৰ ছায়াই বেৰত নৃত্য কৰিছিল— লগত বন্তিশিখাৰ প্রচ্ছায়াও আছিল। চন্দন কাঠৰ গুড়িৰ প্রলেপ দিয়া ধূপৰ গোন্ধ, মিঠাতেলৰ চাকিৰ গোন্ধই কোঠাটো পৰিপূৰ্ণ কৰি ৰাখে। এই সুগন্ধই বাহিৰৰ পৰা অহা সেমেকা গোন্ধৰ অস্তিত্ব নোহোৱা কৰি পেলায়।

নিশাৰ আহাৰৰ পিছত সিহঁত বাৰাণ্ডাত বহিল। ঠাইডোখৰ প্রায় আন্ধাৰেই আছিল যদিও এটা কেৰাচিন তেলৰ লেম্প জ্বলি আছিল। সেই আন্ধাৰৰ মাজতে তাই দেখা পালে জোনাকী পৰুৱাৰ জাক, যিবিলাকে সৰু সৰু পাখি মাৰি টিমিক্ টামাক পোহৰ দি উৰি ফুৰিছে। তাই ভাবি আচৰিত হৈছে— এই জোনাকী পৰুৱাবিলাক দেখি, ইহঁত কোনটো প্রজন্মৰ, কাৰণ সিহঁতক তাই শিশুকালৰ পৰাই দেখি আহিছে। তাই সৰু চৰাই বিলাকৰ কথাও ভাবিলে, যিবিলাকে এই জোনাকীবোৰ ধৰি লৈ যায় নিজৰ বাহটো পোহৰ কৰিবলৈ। সেই চৰাইবোৰৰো নিশ্চয় কেইবাটাও প্রজন্মৰ পৰিৱৰ্তন হ'ল।

সেই প্রজন্মৰ কোনো জোনাকী পৰুৱাক লগ পালে— তাই সুধিব, সিহঁতৰ এজনী সৰু ছোৱালীৰ কথা মনত আছেনে, যিজনীয়ে আন্ধাৰত এটা জোনাকী পৰুৱা ধৰি বাহুত লৈ তাক অতি আগ্রহেৰে পৰ্যবেক্ষণ কৰিছিল।

যেতিয়া শুবৰ সময় হ'ল ৰামাতায়ে ক'লে—

ঃ মই তলৰ মহলাৰ দক্ষিণফালৰ কোঠাটোত শুম।

ঃ আপুনি ওপৰমহলাৰ সৰু কোঠাটোত শুব পাৰে। আমি তিনিওজনী মজিয়াত শুম।— মাধৱীয়ে ক'লে।

ঃ নাই! নহ'ব! দুয়ো বাই ভনীয়ে গোটেই ৰাতি ডাঙৰ ডাঙৰকৈ লাক-বান্ধ নোহোৱা কথা পাতিবা আৰু মই শুম কেনেকৈ? তাতকৈ তলত গৈ শোৱাই ভাল

হ'ব।

বৰষুণ এৰিলে। মাধৱীয়ে কেনেকৈ এতিয়া বৰষুণ দিবলৈ প্ৰাৰ্থনা কৰিব! মূধচৰ পৰা বৰষুণৰ দবা বজোৱাৰ দৰে গুম্‌গুমনি শব্দ, বাদুলিৰ ডেউকা কোবোৱাৰ সোঁ-সোঁৱনি, উঁইচিৰিঙাৰ জি-জিয়নি, ভেকুলীৰ টোৰ্‌টোৰণি শুনি শুনি শুবলৈ বৰ ভাল লাগে। তাই এই বিভিন্ন শব্দবোৰৰ পৰা সৃষ্টি হোৱা অৰ্কেষ্টাৰৰ কোৰাছ শুনি শুনি গভীৰ টোপনিত ঢলি পৰিব পাৰে। সাগৰৰ পৰাও টৌৰ শব্দ অহা নাই। একেলেথাৰিয়ে অহা দপ্‌দপীয়া বৰষুণেহে সাগৰত গৰ্জন  সৃষ্টি কৰিব পাৰে। সুপ্ৰিয়া টোপনিত পৰিল। সাৰদা বায়ে আৰম্ভ কৰিলে—

ঃ ৰামাতাৰ মতে, তোমাৰ ত্ৰিশূৰত থকা ঘৰ আৰু মাটিৰ মূল্য কমেও পাঁচ লাখ টকা।

ঃ বাইদেউ তোমাৰ মনত আছেনে সেই দিনটোৰ কথা— যিদিনা আমাৰ আইতাই শ্ৰীপাৰ্বতীৰ ভৰি দেখুৱাইছিল?

ঃ আছে, আছে, তেতিয়া এই ঘৰ, চৌহদৰ বাৰী আৰু ধান খেতিৰ মাটি সহ দাম দুই লাখো নাছিল।

ঃ তুমি মনত পেলোৱা দোৰোণ ফুল ওলোটাকৈ তেখেতৰ ভৰিত দিয়াত আইতাই কি কৈছিল? আমি 'ওনম'ৰ দিনা যেতিয়া ফুলৰ ৰঙ্গুলি সজাওঁ সেই নানা ৰঙৰ ফুলৰ মাজত দোৰোণ ফুলপাহ ৰাখিব লাগে।

ঃ আৰু এইবোৰ তুমি কি কৈ আছা! আপ্পাই কনভেণ্টত তোমাক পঢ়িবলৈ পঠাওঁতে যথেষ্ট টকা খৰচ কৰিব লগা হৈছিল। সেই টকা আহিছিল খেতিৰ মাটি বিক্ৰী কৰাৰ জৰিয়তে। মই পঢ়া বন্ধ কৰিলোঁ, যেতিয়া দশম শ্ৰেণীত উত্তীৰ্ণ হ'ব নোৱাৰিলোঁ। মোৰ বিয়া হ'ব বুলি মই আশা কৰা নাছিলোঁ। কেনেবাকৈ আঠাইশ বছৰ বয়সত সেয়াও হৈ উঠিল।

ঃ তুমি ভাগ্যৱতী যে পঢ়া বন্ধ কৰিলা। মই ডিগ্ৰী লাভ কৰিলোঁ। তাত 'নান' সকলৰ শাস্তি খায় খায়। আৰু কি উদ্দেশ্যে লৈ মই ডিগ্ৰী গ্ৰহণ কৰিলোঁ?

ঃ যেতিয়া মই গভীৰভাৱে কিবা এষাৰ ক'ব বিচাৰোঁ তুমি ধেমালি কৰি উৰাই দিয়া।

তাই কৈ গ'ল—



ঃ যেতিয়া মই ৰামাতাক কওঁ, কয় যে তেওঁ এই বিষয়ত জড়িত হ'ব নিবিচাৰে। তেনেহ'লে মই কাৰ লগত আলোচনা কৰিম?

সাৰদাবা উচুপি উঠিল। মাধৱীয়ে তাইৰ হাতখন তেওঁৰ পিঠিত থ'লে।

ঃ তুমি বৰ মূৰ্খ সাৰদাবা। মোক দুটা ঘৰ কিয় লাগে? ত্ৰিশূৰত থকা ঘৰটো মোৰ নামত আছে। মোৰ দুটা ল'ৰা। যদি সিহঁতক আৰু ঘৰ লাগে, সেয়া সিহঁতক পিছত বনাই ল'বলৈ দিয়া। এই ঘৰ, বাৰীসহ গোটেই চৌহদ আৰু খেতিৰ মাটি সকলো তোমাৰ। এই সকলোবোৰ সুপ্ৰিয়াৰ হ'ব, তাই মোৰো ছোৱালী!

মাধৱী খন্তেক সময় ৰ'ল আৰু পুনৰ আৰম্ভ কৰিলে—

ঃ এতিয়া সুপ্ৰিয়াৰ বিষয়ে কথা পাতোঁ, মই তাইক মোৰ লগত কালিলৈ আৰ্ণাকুলামলৈ লৈ যাম। ৰামাতাই তাইক স্কুল খোলাৰ আগতে ঘৰলৈ লৈ আনিবগৈ।

ঃ যদি সেইটোৱেই হয়, আমি নথি-পত্ৰখিনি ৰেজিষ্টাৰ নকৰোঁ কিয়?

মাধৱীয়ে এক মুহূৰ্তৰ বাবে কথাটো ভাবিলে। প্ৰকৃততে এই কামটো কৰা ভাল হ'ব। নতুন প্ৰজন্মই ভৱিষ্যতে কেনেধৰণৰ কাম কৰিব সেইটো কোনেও নাজানে। এই সময়ত সিদ্ধান্ত লৈ কামটোত আগবঢ়া উচিত হ'ব যিহেতু এতিয়াও সমন্ধীয় মানুহখিনিৰ মাজত মৰম-ভালপোৱা আৰু শ্ৰদ্ধা বিদ্যমান। কিন্তু তাইৰ ভাব হয়, নথি-পত্ৰখিনিত চহী হৈ যোৱাৰ পিছত পৰিৱেশ একে হৈ নাথাকিব। ভয় হয়, তাই হয়তো এতিয়াৰ দৰে আহিব আৰু থাকিব নোৱাৰিব; যি স্বাধীনতা বৰ্তমান ইয়াত উপভোগ কৰি আছে, তাইৰ ভয় হয় যে সাৰদা বাইদেউৰ মৰম তাই হেৰুৱাব আৰু আনসকলেও মৰম নকৰিব, ভয় হৈছে— তাইৰ পূৰ্বপুৰুষ বাস কৰা এই ঠাইত যিসকলে এতিয়াও খোজ কাঢ়ে, নেদেখা-নুশুনা কিন্তু সদায়ে কাষতে থাকে তেওঁলোকক তাই নাপাব। তাই এই ঘৰটোৰ বংশলতাক ভাল পায়।

ঃ সাৰদাবা নাকান্দিবা।— মাধৱীয়ে তাইক গাৰ কাষলৈ চপাই আনি ক'লে—

ঃ মই আৰ্ণাকুলামলৈ উভতি যাওঁতে ত্ৰিশূৰত নামি যাম, আপ্পা আৰু আম্মাৰ লগত কথা পাতিম। মই আপ্পাক, তোমাৰ নামলৈ উত্তৰাধিকাৰ পৰিৱৰ্তনৰ নথি-পত্ৰ প্ৰস্তুত কৰিবলৈ ক'ম।

ঃ তুমি তোমাৰ আপ্পাক একো নক'বা। মোৰ দেউতাৰ মৃত্যুৰ পিছত, তেখেতেই

মোৰ সকলোখিনি দায়িত্ব লৈ মোক চোৱা-চিতা কৰিলে। তেখেতে ভাবিব মই এগৰাকী অকৃতজ্ঞ...!

ঃ তুমি চিন্তা নকৰিবা, মই আপ্পাক নকওঁ যে তুমি মোক কথাখিনি কৈছা। এতিয়া হবনে? মই কথাখিনি এনেদৰে উপস্থাপন কৰিম যে এইটো মোৰ ইচ্ছা। আমি উত্তৰাধিকাৰ সলনিৰ দলিল সোনকালেই ৰেজিষ্টাৰ কৰিব পাৰিম। কিন্তু তেতিয়া, মই ভাবোঁ যে কথাবিলাক একেদৰে নাথাকিব। মই কি অৰ্থত ক'ব বিচাৰিছোঁ তুমি হয়তো বুজিব নোৱাৰিবা।

সাৰদা বায়ে একো নক'লে। অলপ সময় তাত নীৰৱতা বিৰাজ কৰিলে। তেতিয়া তাই অনুভৱ কৰিব পাৰিলে যে সাৰদাবা টোপনিত পৰিল। তাই উপৰিপুৰুষৰ কথা ভাবিলে, যিসকলৰ কোনোৱে সিহঁতৰ লগত নাই। এয়া তেওঁলোক যিসকল মানুহে তাইক শিকাইছিল মৰম মানে কি? আজি এতিয়াও তাই দৃঢ়ভাৱে বিশ্বাস কৰে যে তাইৰ উপৰি পুৰুষে তাইক তেওঁলোকৰ কৰুণাময় দৃষ্টিৰে চাই আছে, বিশেষকৈ তাইৰ আইতাকে যেতিয়া তাই এই ঘৰটোৰ কৰিডৰেদি খোজ কাঢ়ি যায় সেই সময়ত।

পিছদিনা ৰাতিপুৱা ঘৰচিৰিকাজাকৰ মাতত তাই সাৰ পাই উঠিল। সিহঁতৰ চিঁ-চিয়নি শুনি এনে লাগিছে যেন খিৰিকীৰ নিচেই কাষৰ পৰা আহিছে, সেই মাত সম্ভৱ চোতালৰ কাষত থকা আমজোপাৰ পৰা আহিছে। সিহঁতৰ মিশ্ৰিত কণ্ঠত আছে অভিযোগ, আমনি, প্ৰশংসা, ভালপোৱা আৰু আনকি ঘৃণাও। তাইৰ শিশু কালছোৱাত সিহঁতৰ মাতবিলাকৰ পাৰ্থক্য তাই বিচাৰি উলিয়াবলৈ চেষ্টা কৰিছিল কিন্তু ব্যৰ্থ হ'ল। এটা কণ্ঠৰ মাত এনে লাগে যেন সি আগৰটোৰ কণ্ঠৰেই মাতি আছে আৰু মিউজিকৰ শব্দ হৈ কাণত প্ৰৱেশ কৰিছে। আন কিছুমান নিৰ্দিষ্ট চৰাইৰ মাতেও মিউজিকত মিঠা পৰশ দিছে। মিউজিক শুনি শুনি তাই পুনৰ ঢলি পৰিল টোপনিত। যেতিয়া তাই সাৰ পালে সেয়া আছিল কাউৰীৰ কা কা মাত। বোধহয় সিহঁতেই আছিল শেষৰ আলহী।

পৰিৱেশটো এনে লাগিছে যেন সাৰদা বায়ে সুপ্ৰিয়াক সিহঁত যে আৰ্ণাকুলামলৈ যোৱাৰ কথাটো ঠিক কৰিছে সেই বিষয়ে জনালে। মাধৱী তলৰ মহলালৈ নামি যোৱাৰ সময়ত সুপ্ৰিয়াই গা ধুই আহি সাজু হৈ আছে। তাই ৰঙা ৰঙৰ ফুলাম এটা



চিল্কৰ ফ্ৰক পিন্ধিছে।

ঃ সোণজনী, মাহীয়ে জলপান খোৱাৰ পিছত তোমাক সজাই দিব।— সাৰদা বায়ে ক'লে।

পুৱা ইদলি খাই থকাৰ সময়ত মাধৱীয়ে ক'লে—

ঃ মই তোমাক কালি কথা এটা ক'বলৈ পাহৰিলোঁ।

ঃ কি কথা?— সাৰদাই সুধিলে।

ঃ মই কাঞ্জি খাব বিচাৰিছিলোঁ নাৰিকলৰ চাট্‌নিৰ লগত।

ঃ অঃ খুউব ভাল আছিল পুৱাৰ জলপান হিচাপে।

ঃ তোমাৰ মনত পৰেনে সেইদিনবোৰৰ কথা, যেতিয়া ৰাতিপুৱা আমি কাঞ্জি পি খাব বিচাৰিছিলোঁ মজিয়াত কাঠৰ পীৰাত বহি কঁঠাল পাতেৰে চামুচ বনায়? তেতিয়া এই ডাইনিং টেবুলখন নাছিল। তুমি তেতিয়াও চাউল সিজাই পনীয়াকৈ বনোৱা কাঞ্জি খাই ভাল নাপাইছিলা আৰু সেইবাবে প্ৰথমে কাঞ্জিৰ পানীখিনি পি খাইছিলা আৰু তাৰ পিছত ভাতখিনি চাট্‌নিৰ লগত খাইছিলা।

ঃ বাকলি গুচাই প্ৰায় বিশটা নাৰিকলৰ এটা পেকেট বনাই দিছোঁ।— সাৰদা বায়ে কোঠাৰ চুকত থকা ডাঙৰ বেগটোলৈ দেখুৱাই ক'লে। অলপ ফল-মূল চাৰি-পাঁচটামান জাহাজী কল আৰু এবটল আমৰ আচাৰ দিছো। ৰবি আৰু ল'ৰা দুটাই খাই ভাল পাব।

ঃ ৰাতিপুৱা সোনকালে উঠি তোমালোক দুয়োজনে ইয়াকে কৰি আছিলা। মই এই গোটেইখিনি বস্তু মোৰ লগত বাছত নিব নোৱাৰোঁ।

ঃ মই এইখিনি ত্ৰিশূৰলৈকে লৈ যাম।— ৰামে লগে লগে ক'লে।

ঃ এটা খাটি ঘিউৰ বটলো আছে। মই সেইটোও পেকিং কৰি দিওঁ নেকি?— সাৰদা বায়ে ক'লে।

মাধৱীয়ে মিচিকাই হাঁহিলে। প্ৰতিবাৰেই এইদৰে দিয়ে। যেতিয়া তাই উভতি যায় এই মহলটোৰ পৰা, সাৰদা বাই তাইক দিয়া বস্তুবিলাকক লৈ সন্তুষ্ট হ'ব নোৱাৰে। যেতিয়া ৰামাতা আৰু সাৰদাবা কোচি টাউনলৈ আহে একেদৰে বহুতো বস্তু লগত লৈ আহে। এই সকলোবোৰ তাইৰ বায়েকেই ভোগ কৰিব পাৰিলেহেঁতেন! একেদৰে তায়ো অকলে ভোগ কৰিব নোৱাৰে! আৰু এইটোৱেই হৈছে সেই চিন্তা যাৰ

আঁৰত আছে এই কাৰ্যবোৰ। বেচেৰীজনী!

ঃ নাই, মোক ঘিউ নালাগে। আনহাতে ৰবিতানৰো উচ্চ ৰক্তচাপ আছে। যদিহে তেওঁ এই বটলটো এবাৰ দেখে তেওঁ ইয়াক কোনো সংযম নমনাকৈ খাই শেষ কৰিব।

পুৱাৰ জলপান খোৱাৰ পিছত, মাধৱীয়ে সুপ্ৰিয়াক প্ৰসাধন সানি দিলে। তাইৰ চুলিখিনিত বেণু গুঠি ফিটা মাৰি দিলে। তাই সুপ্ৰিয়াৰ মুখত টেলকম পাউদাৰ সানি দি কপালত এটা সৰু ফোঁট দিলে।

ঃ মোৰ ছোৱালী এতিয়া এজনী সৰু ৰাজকুমাৰী যেন লাগিছে।— ৰামাতাই ক'লে।

ঃ মাধৱীয়ে নূপুৰযোৰ এডাল এডালকৈ দুয়োটা ভৰিতে টানি বান্ধি দিলে। তাইৰ ভৰি দুটা গোলপীয়া বগা বৰণৰ, ভৰিৰ 'পটা' দীঘল আৰু ধুনীয়া।

ঃ তুমি শ্ৰীপাৰ্বতীৰ ভৰি দেখিছানে?

ঃ হয়, এইটো দোৰোণ গুল্মৰ ফুল, নহয় জানো?

ঃ নহয়, ই এইটোৱেই।

তাইৰ নূপুৰ পিন্ধোৱা ভৰিলৈ আঙুলিয়াই মাধৱীয়ে ক'লে—

ঃ এয়াই দেৱী শ্ৰীপাৰ্বতীৰ ভৰি।

তাই চাপৰিলে আৰু সুপ্ৰিয়াৰ সেই সৰু ভৰিত চুমা খালে।

***

## নলিনী কুমাৰ বৰা



......সমাজৰ বিভিন্ন দিশৰ সৈতে যে এজন লেখক অৱশ্যম্ভাৱী ৰূপে জড়িত থাকিব লাগে বা জড়িত থকা উচিত সেয়া নলিনী কুমাৰ বৰাৰ জীৱন পৰিক্ৰমাতে পৰিস্ফুট হোৱা দেখা যায়। পুৰণিগুদাম হালোৱা গাঁৱত জন্ম শ্ৰীবৰাৰ পিতৃ মণিৰাম বৰা আৰু মাতৃ গুণমাই বৰা। পুৰণিগুদামতেই প্ৰাথমিক আৰু মাধ্যমিক শিক্ষা সমাপ্ত কৰাৰ পিছত নগাঁও কলেজত কলেজীয়া শিক্ষা আৰু বিশ্ববিদ্যালয় শিক্ষা সমাপন হয় গুৱাহাটী বিশ্ববিদ্যালয়ত। বুৰঞ্জী বিষয়ত স্নাতকোত্তৰ শ্ৰীবৰাই প্ৰথমে নৗে মহাবিদ্যালয়ত বুৰঞ্জী বিভাগৰ প্ৰৱক্তা হিচাপে যোগদান কৰে। পিছত ১৯৯২ চনত বঢ়মপুৰ ছহিদ স্মৃতি আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিষয় শিক্ষক হিচাপে যোগদান কৰে। বিদেশী বহিস্কাৰ আন্দোলনত এগৰাকী সক্ৰিয় কৰ্মী হিচাপে সেৱা আগবঢ়োৱা নলিনী কুমাৰ বৰাই সমাজৰ বিভিন্ন অন্যায়- অবিচাৰৰ বিষয়ে সদায় মাত মাতি আহিছে। বামুণী অঞ্চলত হোৱা ডাইনী হত্যাৰ বিৰুদ্ধে তেখেতে গণ সচেতনতা জাগ্ৰত কৰাৰ বাবে কাম কৰিছিল। ক্ৰীড়া আৰু নাট্য প্ৰতিভা সম্পন্ন শ্ৰীযুত বৰা এজন প্ৰকৃতি প্ৰেমী যি গছপুলি ৰোপনৰ বাবে বিভিন্নজনক অনুপ্ৰেৰণা যোগাই আহিছে। মহীশূৰৰ ভাৰতীয় ভাষা শিক্ষা প্ৰতিষ্ঠানত কেৰেলাৰ মালয়ালম ভাষাৰ ডিপ্লমা গ্ৰহণ কৰি আহি তেখেতে ভালেকেইগৰাকী মালয়ালম সাহিত্যিকৰ গল্প অসমীয়ালৈ অনুবাদ কৰিছে। বঢ়মপুৰৰ স্বাধীনতা আন্দোলন বা প্ৰাচীন নগাঁৱৰ কছাৰীকে ধৰি বিভিন্নজন ৰজা তথা তেওঁলোকৰ ৰাজ্যৰ বিষয়ে সম্প্ৰতি তেখেতে অধ্যয়ন কৰি থকাৰ লগতে এই বিষয়ত দুই এক প্ৰবন্ধও প্ৰকাশ কৰিছে। দক্ষিণ আৰু পশ্চিম ভাৰত ভ্ৰমণৰ অভিজ্ঞতাৰে লিখিছে এখনি উপন্যাসিকা। সদৌ অসম উচ্চতৰ মাধ্যমিক শিক্ষক কৰ্মচাৰী সন্থা, বঢ়মপুৰ সময় সাংস্কৃতিক গোষ্ঠী, নৗে বিজ্ঞান সমিতি, ভাৰতীয় ইতিহাস সংকলন যোজনা, নগাঁও জিলা সমিতি আদিৰ সৈতে জড়িত শ্ৰীযুত বৰা অসম সাহিত্য সভাৰ আজীৱন সভ্য তথা পুৰণিগুদাম শতদল শাখা সাহিত্য সভাৰ এগৰাকী সক্ৰিয় সদস্য।

..........পুৰণিগুদাম শতদল শাখা সাহিত্য সভাই প্ৰকাশ কৰা এই গ্ৰন্থখন পাঠক সমাজে আদৰি ল'লে লেখকৰ সাধনা সাৰ্থক হোৱাৰ উপৰিও সাহিত্য সৃষ্টিত প্ৰেৰণা পাব বুলি আশা কৰিলোঁ।

..........পুৰণিগুদাম শতদল শাখা সাহিত্য সভা